অসম

# টেঙাখাতৰ অইল টেংক ফার্মৰ অগ্নিকাণ্ডত মৃত ৬জন

ডিব্রুগড়ৰ টেঙাখাততে অইলৰ আইটিএফ প্রকল্পত সংঘটিত অগ্নিকাণ্ডত চিকিৎসাধীন শ্রমিক গোলাপ দত্তৰ মৃত্যু হৈছে। মৃতকৰ সংখ্যা ৬জনলৈ বৃদ্ধি পাইছে।

প্রকাশ: ১০ নৱেম্বৰ ২০২৬, নিশা ৮:০৪



ডিব্রুগড়, ১০ নৱেম্বৰ: ডিব্রুগড় জিলাৰ টেঙাখাততে অইল ইণ্ডিয়া লিমিটেডৰ ইণ্টাৰমিডিয়েট টেংক ফার্ম প্রকল্পত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত মৃতকৰ সংখ্যা ৬জনলৈ বৃদ্ধি পাইছে। চিকিৎসাধীন অৱস্থাত আন এজন শ্রমিকৰ মৃত্যু হোৱাৰ পাছতে মৃতকৰ সংখ্যা বৃদ্ধি পায়।

মৃত শ্রমিকজন টেঙাখাতৰ উল্টন বৰদলনিৰ বাসিন্দা গোলাপ দত্ত। অগ্নিকাণ্ডত গুৰুতৰভাৱে অগ্নিদগ্ধ হোৱা গোলাপ দত্তক ডিব্রুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসা প্রদান কৰি থকা হৈছিল। চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়।

যোৱা ৬ নৱেম্বৰত অইলৰ আইটিএফ প্রকল্পত এক শক্তিশালী বিস্ফোৰণৰ পাছতে অগ্নিকাণ্ডৰ সূত্রপাত হৈছিল। প্রাৰম্ভিক তথ্য অনুসৰি, খাৰুৱা তেল সংৰক্ষণ কৰা অঞ্চলত বিস্ফোৰণটো সংঘটিত হৈছিল। ঘটনাটোত কেইবাজনো শ্রমিক গুৰুতৰভাৱে অগ্নিদগ্ধ হৈছিল।

আহত শ্রমিকসকলক প্রথমে ডিব্রুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত ভর্তি কৰোৱা হৈছিল। তেওঁলোক মুম্বাইস্থিত স্পেকট্রন ইঞ্জিনীয়ার্ছ প্রাইভেট লিমিটেডৰ কর্মচাৰী। প্রতিষ্ঠানটোৱে অইলৰ হৈ প্রকল্পটোত

কাম কৰি আছিল।

আহতসকলৰ ভিতৰত শৈলেন গগৈ (৪৫), তপস গগৈ (৪০), কুমুদ গগৈ (৩৮) আৰু ইন্দ্ৰ গগৈ (৪০) আছিল। ইয়াৰ পূৰ্বে তপস গগৈ আৰু ৰূপম গগৈৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হৈছিল।

বিস্ফোৰণ আৰু তাৰ পাছৰ অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। ঘটনাটোৰ কাৰণ নিৰ্ণয়ৰ বাবে অধিক তথ্যৰ অপেক্ষা কৰা হৈছে।

---

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1890/tengakhat-oil-tank-farm-fire-deaths